**REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 07-07-2025

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰৰ জিলা আয়ুক্ত কাৰ্যালয়ত ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনিসমূহৰ এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। ড° শৰ্মাই বি টি আৰৰ অন্তৰ্গত কোকৰাঝাৰ, বাওখুংগ্ৰী, দোতমা, গোসাইগাঁও আৰু পৰ্বতঝৰা সমষ্টিত চৰকাৰৰ কেইবাখনো উন্নয়নমূলক আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰে। জিলাখনৰ কেতবোৰ ভৱিষ্যতমুখী পৰিকল্পনাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কোকৰাঝাৰত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্য্যায়ত হিতাধিকাৰীৰ সংখ্যা এক লাখ ৪০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। তদুপৰি জিলাখনৰ পাঁচটা সমষ্টিত নতুনকৈ চাৰি হাজাৰ লোকক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বি টি আৰত বিগত পাঁচ বছৰত চৰকাৰে শান্তি স্থাপন কৰিলে আৰু অনাগত পাঁচ বছৰত তেওঁলোকে এইখণ্ডত সমতা, বিকাশ আৰু প্ৰগতিৰ হকে কাম কৰিব।

০০০০

ধুবুৰী আৰু গোৱালপাৰা জিলাৰ দখলীকৃত ভূমিত কাইলৈৰ পৰা উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। সেই অনুসৰি ধুবুৰী জিলাৰ চাপৰত কাইলৈ উচ্ছেদ চলোৱা হ'ব। একেদৰে ১০ জুলাইত গোৱালপাৰাৰ পাইকান বনাঞ্চলত উচ্ছেদ অভিযান চলোৱা হ'ব। গোৱালপাৰা জিলা বন সংমণ্ডল বিষয়া তেজছ মৰিস্বামীয়ে প্ৰকাশ কৰা মতে ২০২৩ বৰ্ষৰ পৰা এতিয়ালৈ জিলাখনৰ চাৰিটা বনাঞ্চলিক এলেকাৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলৰ ৬৫০ হেক্টৰ ভূমি দখলমুক্ত কৰা হৈছে। ইয়াৰে ২০০ হেক্টৰ ভূমিত জনবসতি থকাৰ লগতে বাকী ভূমিত বিভিন্ন শস্যৰ খেতি কৰা হৈছিল। শেহতীয়াকৈ কৃষ্ণাই বনাঞ্চলিক এলেকাৰ অন্তৰ্গত পাইকান সংৰক্ষিত বনাঞ্চলৰ ১৪০ হেক্টৰ ভূমি দখলমুক্ত কৰাৰ বাবে বন বিভাগে ব্যৱস্থা লৈছে। অঞ্চলটোত থকা এহেজাৰ ৮০টা পৰিয়ালক যোৱা বছৰৰ ডিচেম্বৰত অঞ্চলটো খালী কৰাৰ বাবে জাননী দিয়া হৈছিল। শেহতীয়াকৈ অহা ১০ জুলাইৰ পূৰ্বে এই লোকসকলক অঞ্চলটো খালী কৰিবলৈ জাননী দিয়া হৈছিল যদিও খালী নকৰিলে শীঘ্ৰেই উচ্ছেদ অভিযান চলোৱা হ'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে।

০০০০

চিৰাং জিলাৰ বিভিন্ন স্থানত চৰকাৰীভাৱে ৰূপায়ণ হৈ থকা বিভিন্ন নিৰ্মাণকাৰ্য আজি অসম বিধানসভাৰ ৰাজহুৱা হিচাপ পৰীক্ষকৰ ৭ জনীয়া বিধায়কৰ এটা দলে পৰিদৰ্শন কৰে। বিধায়ক নুৰুল হুদাৰ নেতৃত্বত যোৱা দলটোৱে পুৰাৰে পৰা কাজলগাওঁ ষ্টেডিয়াম, জনজাতীয় অতিথিশালা, কাশিকাত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণ আদিৰ বুজ লয়। দলটোৱে চাপাগুৰি-মালিভিটা সংযোগী অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ হৈ থকা পকী পথছোৱাৰ নিৰ্মাণ কাৰ্যৰো নিৰীক্ষণ কৰাৰ লগতে কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। ইয়াৰ পিছতে দলটো জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০

বিগত কিছুদিন ধৰি নাগালেণ্ডত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নদীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত অঞ্চলটোৰ ৫ টাকৈ ৰাজহ চক্ৰ বানত বুৰ যায়। জিলা প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে বানাক্ৰান্ত লোকক উদ্ধাৰৰ লগতে সাহায্য শিবিৰৰ ব্যৱস্থা কৰিছে। জিলাখনৰ বিভিন্ন স্থানত ১৯ টাকৈ সাহায্য শিবিৰ স্থাপন কৰা হৈছে। জিলা আয়ুক্তগৰাকীয়ে মৰঙি ৰাজহ চক্ৰৰ বানত বুৰ যোৱা বিভিন্ন অঞ্চল পৰিদৰ্শন কৰাৰ লগতে বানাক্ৰান্ত লোকৰ সৈতে মত বিনিময় কৰি পৰিস্থিতিৰ বুজ লয়। তেওঁ কানাইঘাটৰ কালিয়নি নদীৰ দলঙখনৰ তলত জমা হোৱা আৱৰ্জনা নিষ্কাষণৰ প্ৰক্ৰিয়াটো পৰিদৰ্শন কৰে। দুৰ্যোগৰ সময়ত প্ৰত্যেকগৰাকী বানাক্ৰান্ত লোকলৈ সকলো প্ৰকাৰৰ সাহায্য আগবঢ়োৱা হ'ব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে।

০০০০

ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাঙ্গীন বিকাশৰ লক্ষ্যৰে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত দুখনকৈ কৰ্মশালাৰ আয়োজন কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰীষ্ম বন্ধৰ সময়চোৱা সৃষ্টিশীল কাম-কাজৰ মাজেৰে পাৰ কৰাৰ লক্ষ্যৰে এই কৰ্মশালাসমূহৰ আয়োজন কৰা হৈছে।

এই উপলক্ষে ধেমাজি জিলা প্ৰশাসনৰ সহযোগত ধেমাজিত আজিৰে পৰা ১৫ দিনীয়াকৈ সত্ৰীয়া নৃত্য আৰু গায়ন-বায়নৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ডিব্ৰুগড় জিলাতো আজিৰে পৰা চাবুৱা ষ্টেডিয়ামত সমৰ কলাৰ গ্ৰীষ্মকালীন প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। একেদৰে যোৰহাট জিলাতো টিয়ক আৰু যোৰহাট বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়।

০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ সভাপতিত্ব আজি ডিফুৰ তাৰালাংছ'ৰ কাজিত কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ খনিজ পদাৰ্থৰ খনন কাৰ্য সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব এ কে তিৱাৰীৰ উপস্থিতিত আয়োজতি এই সভাত জিলা দুখনৰ খনিজ সম্পদৰ খনন, নিলাম আৰু ৰাজহ সংগ্ৰহ সন্দৰ্ভত আলোচনা কৰা হয়। মিখ্য সচিবগৰাকীয়ে বিভাগীয় কৰ্তৃপক্ষক কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ আৰু পৰিবেশ আৰু বন বিভাগৰ পৰা অনুমতি ল'বলৈ পৰামৰ্শ আগবঢ়ায়।

০০০০

দৰং জিলাৰ খাৰুপেটীয়াত থকা অসম ক্লাৱত আজি দলগাওঁ বিধানসভা সমষ্টিৰ ৬০২ গৰাকী অঙ্গনবাড়ী কৰ্মীৰ মাজত মোবাইল ফোন বিতৰণ কৰা হয়। জিলা মহিলা আৰু শিশু বিকাশ বিভাগ তথা জিলা প্ৰশাসনৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে বিধায়ক মজিবুৰ ৰহমান উপস্থিত থাকে। অনুষ্ঠানত দলগাওঁ সমজিলাৰ আয়ুক্ত গোপাল শৰ্মাৰ লগতে সমাজ কল্যান বিষয়া কোশেশ্বৰ বৰুৱা, শিশু উন্নয়ন প্ৰকল্প বিষয়া নমিতা দাসকে ধৰি জিলা প্ৰশাসনৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০

তেজপুৰ কলেজিয়েট উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নলিনী কুমাৰ শৰ্মাৰ আজি নতুন দিল্লীত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৪ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ